# অৰ্দ্ধ শতিকাৰ সোণালী লগনত তুমি

❑ ভূপেন্দ্ৰ কুমাৰ শৰ্মা
শিক্ষক, কামাখ্যা বিদ্যালয়,
মালিগাঁও, গুৱাহাটী - ১১

হে প্ৰগতি,
বিন্দুৰ পৰা সিন্ধুলৈ তোমাৰ গতি ;
নীলাচলৰ পাদ-প্ৰান্তৰ পৰা
হিমালয়ৰ শিখৰলৈ
নিৰৱধি প্ৰবাহ, নাই যে গতি।
শিক্ষাৰ শুকুলা গগনৰ তলত
দীক্ষাৰ শ্যামল দলিচা,
সৃষ্টিৰ বৃষ্টিত সিচঁৰিত জ্ঞানৰ সৌৰভ,
আধ্যাত্মিকতাৰ আলয়ত
নৈতিকতাৰ ফলক ;
গৌৰৱময় পদাৰ্পণ আজি
অৰ্দ্ধ-শতিকাৰ সোণালী লগনত।
সেউজ সময়ৰ আবেদনময়ী আহ্বান –
মাথোন হৈ ৰওঁক প্ৰত্যাহ্বান,
প্ৰতিটো পঙ্কিল প্ৰলয় ;
কৰযোৰে প্ৰনাম তোমাক 'কামাখ্যা বিদ্যালয়'
জয়তু 'কামাখ্যা বিদ্যালয়' ।।